# ৰহাত ৰাষ্ট্ৰীয়কৃত বেংকৰ জন সচেতনতা সভা

ৰহা ঃ নিজা বাতৰি দিওঁতা, ৯ ছেপ্টেম্বৰ ঃ ৰহাৰ সমীপবৰ্তী ডিমৌ চাৰিআলিত থকা সভাগৃহত বৰ্তমান সময়ত জনজীৱনৰ লগত বেংকৰ সম্বন্ধ আৰু ইয়াৰ প্ৰায়োগিক দিশ, দুষ্ট চক্ৰৰপৰা গ্ৰাহক বাছি থকা উপায়, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি যোজনা, অটল পেন্সন যোজনা, ই কে ৱাই চি আদি দিশসমূহ সামৰি এখন সজাগতা সভা অনুষ্ঠিত হয়। বেংক সখী আৰু ফুলগুৰি পাঞ্জাব নেশ্যনেল বেংকৰ সহযোগত অনুষ্ঠিত হোৱা জন সচেতনতা সভাত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ডি জি এম (এফ আই ডি ডি) পুনম চেতিয়াই বন্তিপ্ৰজ্বলনেৰে আৰম্ভ কৰে। সভাত চৰকাৰে সাধাৰণ ৰাইজৰ বাবে আৰম্ভ কৰা বিভিন্ন আঁচনিৰ ব্যাখ্যা কৰি সেইসমূহৰ পৰা



কেনেদৰে উপকৃত হ'ব পাৰে তাৰ কাৰণসমূহ আলোচনা কৰা হয়। ভাষণত ডি জি এম গৰাকীয়ে কয় যে অসাধু আৰু দুষ্ট চক্ৰই গ্ৰাহকৰ পৰা ধন লুট কৰিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰে। সেই দুষ্ট চক্ৰৰপৰা গ্ৰাহকলৈ প্ৰলোভন দি ম'বাইলৰ অ' টি পি বিচাৰি ফ'ন কৰে। কিন্তু প্ৰকৃততে বেংকৰ পৰা কোনো গ্ৰাহকলৈ ম'বাইলৰ অ' টি পি বিচাৰি ফ'ন নকৰে। এনে ফ'নকল আহিলেই গ্ৰাহক সকল সাৱধান হোৱা দৰকাৰ। ৰূপজ্যোতি বৰাই আঁত ধৰা সজাগতা সভাখনত বেংকৰ ৰিজনেল ডাইৰেক্টৰ সুস্মিতা ফুকন, এছ বি আইৰ ডি জি এম সন্তোষ কুমাৰ, এছ এল বি চি অমৃত কুমাৰ, নগাঁও চক্ৰৰ পাঞ্জাব নেশ্যনেল বেংকৰ চাকোল হেড খুৰচিদ আলম, পি এন বিৰ এল ডি এম মণিৰাম বসুমতাৰী, ফুলগুৰি গাঁও পঞ্চায়তৰ সভানেত্ৰী টুটুমণি ডেকা, পি এন বিৰ ফুলগুৰি শাখা শাখাৰ প্ৰবন্ধক কুন্দন মেচৰাম আদিয়ে বেংকৰ পৰা ৰাইজলৈ আগবঢ়োৱা সুবিধা, বেংকৰ নীতি-নিয়ম আদিৰ বিষয়ে আলোচনা কৰি ভাষণ দিয়ে। ডিমৌ চাৰিআলিৰ পাছত ৰহাৰ কটহগুৰি ৰাজহুৱা ভৱনতো অন্য এখন বেংকৰ জনসচেতনতা সভা অনুষ্ঠিত হয়। চাপৰমুখৰ চি এছ পিৰ পৰিচালক প্ৰদীপ কুমাৰ সিংহই আঁত ধৰা আৰু শতাধিক মহিলা উপস্থিত থকা সভাখনত ৰিজাৰ্ভ বেংকৰ উপ মহাপ্ৰবন্ধক পুনম চেতিয়া, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকন, ষ্টেট বেংকৰ উপ মহাপ্ৰবন্ধক অমিত ৰঞ্জন, ৰহা এছবি আইৰ শাখা পৰিচালক, তিৱা স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সৰোজ কোঁৱৰ আদিয়ে অংশগ্ৰহণ কৰে।